# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 19-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# **HEADLINES**

১। বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান বিধেয়ক সংসদত গৃহীত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশ্ব স্বাস্থ্য সংস্থাৰ পৰম্পৰাগত চিকিৎসা বিষয়ক দ্বিতীয় গোলকীয় শীৰ্ষ সন্মিলনৰ সামৰণি অনুষ্ঠানত ভাষণ দিব।

৩। প্ৰধানমন্ত্ৰীয়ে ওমান, ইথিঅ'পিয়া আৰু জৰ্দানৰ ত্ৰিদেশী ভ্ৰমণ সফলতাৰে সম্পন্ন কৰিছে।

৪। কৃত্ৰিম বুদ্ধিমত্তাৰ মাজত শিক্ষাখণ্ডৰ প্ৰত্যাহ্বান সমাধান কৰাৰ সামৰ্থ নিহিত হৈ আছে বুলি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে মন্তব্য কৰিছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি আহমেদাবাদত অনুষ্ঠিত হ'ব

০০০০০

বিকশিত ভাৰত G RAM G অৰ্থাৎ বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান বিধেয়ক সংসদত গৃহীত হৈছে। ৰাজ্যসভাই যোৱানিশা বিধেয়কখন গ্ৰহণ কৰে। বিধেয়কখন কালি লোকসভাত গৃহীত হৈছিল। এই বিধেয়কখনৰ জৰিয়তে চৰকাৰে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ ৰাষ্ট্ৰীয় দৃষ্টিভংগী অনুযায়ী গ্ৰাম্য উন্নয়ন পৰিকাঠামো গঢ়ি তুলিব বিচাৰিছে। এই বিধেয়কখনৰ অধীনত প্ৰত্যেক বিত্তীয় বৰ্ষত দক্ষতাৰ প্ৰয়োজন নোহোৱা কাম কৰিব খোজা গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালক ১২৫ দিনৰ কৰ্ম সংস্থাপনৰ বিধি সন্মত নিশ্চয়তা প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৬০ আৰু ৰাজ্য চৰকাৰে ৪০ শতাংশ ধন যোগান ধৰিব। অৱশ্যে উত্তৰ-পূৰ্বাঞ্চল আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ৯০ শতাংশ আৰু ৰাজ্য চৰকাৰে ১০ শতাংশ ধন যোগান ধৰিব। ইয়াৰ উপৰি ৰাজ্য চৰকাৰসমূহে নিবনুৱা ভাট্টা আৰু ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থাও অব্যাহত ৰাখিব।

ৰাজ্য সভাই বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি কেন্দ্ৰীয় গ্ৰামোন্নয়নৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে, চৰকাৰে ৰাষ্ট্ৰ প্ৰথম আদৰ্শ অনুসৰি কাম কৰি আছে। তেওঁ কয়, যে গাঁৱৰ বিকাশ অবিহনে দেশৰ বিকাশ সম্ভৱ নহয়। চৰকাৰে সমাজৰ বঞ্চিত শ্ৰেণীসমূহৰ কল্যাণৰ হকে অক্লান্তভাৱে কাম কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

কংগ্ৰেছৰ মুকুল ৱাছনিকে বিধেয়কখনৰ বিৰোধিতা কৰে আৰু বিধেয়কখনে দেশৰ লাখ লাখ লোকৰ জীৱনত বিৰূপ প্ৰভাৱ পেলাব বুলি দাবী কৰে। তেওঁ কয়, যে সকলোৱে দেশৰ দৰিদ্ৰ লোকসলকৰ উন্নয়নৰ বাবে একেলগে কাম কৰা উচিত।

আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ সাংসদ ইন্দু বালা গোস্বামীয়ে কয়, যে দেশৰ ৭০ শতাংশ লোকে গ্ৰামাঞ্চলত বাস কৰে আৰু তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নয়নেই বিধেয়কখনৰ মূল লক্ষ্য। বিধেয়কখনে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাত সহায় কৰিব বুলি তেওঁ মন্তব্য কৰে।

কংগ্ৰেছ সাংসদ মল্লিকাৰ্জুন খাৰ্গে কয়, যে বিধেয়কখন ভালদৰে চালি-জাৰি চোৱাৰ বাবে বাছনি কমিটীলৈ প্ৰেৰণ কৰা উচিত। আৰ জে ডিৰ মনোজ কুমাৰ ঝাই বিধেয়কখনৰ বিৰোধীতা কৰি কয়, যে বিধেয়কখন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত আলোচনা প্ৰক্ৰিয়া আওকান কৰা হৈছে। তেওঁ লগতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত পুঁজি আৱণ্টনৰ ৬০-৪০ শতাংশৰ অনুপাতক লৈও সমালোচনা কৰে। আলোচনাত ভাগ লৈ তৃণমূল কংগ্ৰেছৰ ঋতব্ৰত বেনাৰ্জীয়ে বিধেয়কখন উত্থাপন কৰাৰ পূৰ্বে ৰাজ্য আৰু সংশ্লিষ্ট আনপক্ষসমূহৰ সৈতে কিয় বিশদভাৱে আলোচনা কৰা নহ'ল বুলি প্ৰশ্ন অৱতাৰণা কৰে। ৱাই এছ আৰ চি পিৰ এছ নিৰঞ্জন ৰেড্ডীয়ে কয়, যে বিধেয়কখনক লৈ গভীৰভাৱে বিবেচনা কৰাৰ প্ৰয়োজন আছে আৰু ইয়াৰ বাবে বিধেয়কখন বাছনি কমিটীলৈ প্ৰেৰণ কৰা উচিত।

বি জে ডিৰ সুভাশিখ খুন্তিয়াই কয়, যে পুঁজি আৱণ্টনৰ ৬০-৪০ৰ অনুপাতৰ ফলত দুখীয়া ৰাজ্যসমূহ বোজাৰ সন্মুখীন হ'ব। আলোচনাত ভাগ লৈ এ আই এ ডি এম কেৰ দলৰ সাংসদ ড° এম থাম্বিডুৰাই কয়, যে গ্ৰামাঞ্চলত কৰ্মসংস্থাপন জীৱিকা, সুৰক্ষা আৰু সামাজিক সুস্থিৰতাৰ বিষয়। তেওঁ কয়, যে এনে ধৰণৰ গুৰুত্বপূৰ্ণ আইনৰ সংশোধনৰ বিষয়টো দায়িত্ব আৰু গুৰুত্ব সহকাৰে চালি জাৰি চোৱা উচিত। প্ৰত্যেক বিত্তীয় বৰ্ষক কৰ্মসংস্থাপনৰ দিন ১০০ পৰা ১২৫ দিনলৈ বৃদ্ধি বিধেয়কখনৰ উল্লেখযোগ্য আৰু আদৰণীয় বৈশিষ্ট্য বুলি তেওঁ মন্তব্য কৰে। বিজেপি সাংসদ আদিত্য প্ৰসাদ, সমাজবাদী পাৰ্টীৰ ৰাম জি লাল সুমন, বিজেডিৰ ছুলাতা দেও, তৃণমূল কংগ্ৰেছৰ দোলা সেন, কংগ্ৰেছৰ ৰনদীপ সুৰজেৱালা, চি পি আই এমৰ ড° ভি শিৱদাসন আৰু কংগ্ৰেছৰ দিগ্বিজয় সিঙে এই আলোচনাত ভাগ লয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আয়োজিত বিশ্ব স্বাস্থ্য সংস্থাৰ পৰম্পৰাগত চিকিৎসা বিষয়ক দ্বিতীয় গোলকীয় শীৰ্ষ সন্মিলনৰ সামৰণি অনুষ্ঠানত ভাষণ দিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে আয়ুষ ক্ষেত্ৰৰ বাবে প্ৰধান ডিজিটেল পোৰ্টেল, মাই আয়ুষ সংহত সেৱা পোৰ্টেলসহ কেইবাটাও গুৰুত্বপূৰ্ণ উদ্যম মুকলি কৰিব। তেওঁ লগতে আয়ুষ চিহ্ন উন্মোচন কৰিব। ইয়াৰ জৰিয়তে আয়ুষ সামগ্ৰী আৰু গুণগত সেৱাৰ গোলকীয় মান হিচাপে এই চিহ্নৰ পৰিকল্পনা কৰা হৈছে। অনুষ্ঠানত শ্ৰীমোদীয়ে যোগ প্ৰশিক্ষণ সন্দৰ্ভত বিশ্বস্বাস্থ্য সংস্থাৰ প্ৰতিবেদন আৰু আয়ুষ মন্ত্ৰালয়ৰ ১১ বছৰীয়া পৰিৱৰ্তন যাত্ৰা সম্পৰ্কীয় এখন গ্ৰন্থও উন্মোচন কৰিব। তেওঁ লগতে অশ্বগন্ধা স্মাৰক ডাক টিকট মুকলি কৰিব। অনুষ্ঠানত ২০২১ৰ পৰা ২০২৫ চনৰ সময়ছোৱাত যোগৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য বৰঙণিৰ বাবে প্ৰধানমন্ত্ৰীৰ পুৰস্কাৰ লাভ কৰা সকলক সম্বৰ্ধনা জনোৱা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে পৰম্পৰাগত চিকিৎসা অন্বেষণ স্থলো পৰিদৰ্শন কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওমান, ইথিঅ'পিয়া আৰু জৰ্দানৰ ত্ৰিদেশীয় ভ্ৰমণ সফলতাৰে সম্পন্ন কৰিছে। ওমান ভ্ৰমণ কালত দুয়োখন দেশে প্ৰধানমন্ত্ৰী মোদী আৰু ওমানৰ ছুলতান হিছাম বিন তাৰিকৰ উপস্থিতিত সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তিত স্বাক্ষৰ কৰি দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য অৰ্জন কৰে। দুয়োপক্ষই সামুদ্ৰিক সহযোগিতা, উচ্চ শিক্ষা, কৃষি, মিলেটৰ খেতিসহ ৬ খন চুক্তিত স্বাক্ষৰ কৰে। ইয়াৰ উপৰি ওমানৰ বাণিজ্য আৰু উদ্যোগ সংগ আৰু ভাৰতীয় উদ্যোগ পৰিসংঘৰ মাজতো এখন বুজাবুজিৰ চুক্তি সম্পন্ন হয়।

ooooo

কৃত্ৰিম বুদ্ধিমত্তাৰ মাজত শিক্ষাখণ্ডই প্ৰত্যাহ্বান সমাধান কৰাৰ সামৰ্থ নিহিত হৈ আছে বুলি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে মন্তব্য কৰিছে। নতুন দিল্লীত কালি শিক্ষা আৰু শিকন প্ৰক্ৰিয়াত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ সম্পৰ্কীয় উপদেষ্টা কমিটীৰ তৃতীয়লানি বৈঠকত অধ্যক্ষতা কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে গুণগত শিক্ষা অধিক সৰ্বাতক, সুলভ আৰু যুক্তিসংগত কৰি তুলিব পৰা যায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'দীৰ্ঘস্থায়ী প্ৰয়োগ আৰু ভাৰতৰ ৰূপান্তৰৰ বাবে পাৰমাণৱিক শক্তিৰ বিকাশ' সম্পৰ্কীয় SHANTI বিধেয়ক সংসদত গৃহীত হোৱাৰ পাছতেই বিধেয়কখনক আদৰণি জনাইছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে বিধেয়কখন গৃহীত হোৱাৰ পাছতেই ভাৰতৰ প্ৰযুক্তিগত ক্ষেত্ৰৰ বাবে এয়া এটা ঐতিহাসিক মুহূৰ্ত বুলি উল্লেখ কৰে। বিধেয়কখনৰ সমৰ্থনত ভোটদান কৰা সাংসদসকলক ধন্যবাদ জনাই প্ৰধানমন্ত্ৰীয়ে কয়, যে এই আইনখনৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তাই পৰিৱেশ অনুকুল উৎপাদনক সক্ৰিয় কৰিব আৰু দেশ তথা বিশ্বৰ বাবে পৰিষ্কাৰ শক্তিৰ ভৱিষ্যৎ গঢ়ি তোলা পক্ৰিয়াক তৰান্বিত কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয়, যে এই আইনখনে ব্যক্তিগত খণ্ড আৰু যুৱ সমাজৰ বাবে বহু নতুন সুযোগ মুকলি কৰিব। ভাৰতত বিনিয়োগ, উদ্ভাৱন আৰু নিৰ্মাণৰ বাবে এয়া সৰ্বোত্তম সময় বুলিও তেওঁ লগতে উল্লেখ কৰে।

ooooo

ভোটাৰ তালিকাৰ বিশেষ ব্যাপক পুনৰীক্ষণ অভিযানৰ অধীনত গুজৰাটৰ সকলো বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হ'ব। সংশোধন প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰাৰ উদ্দেশ্যে জিলা নিৰ্বাচনী বিষয়াসকলে স্বীকৃত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলক খচৰা ভোটাৰ তালিকাৰ প্ৰতিলিপি প্ৰদান কৰিব। আজি খচৰা তালিকা প্ৰকাশ পোৱাৰ লগে লগে ওজৰ-আপত্তি দাখিলৰ সময়সীমা আনুষ্ঠানিকভাৱে আৰম্ভ হয় আৰু এই সময়সীমা ১৮ জানুৱাৰীলৈকে বলবৎ হৈ থাকিব। নাগৰিকসকলে আজিৰে পৰা খচৰা তালিকাত নিজৰ নাম পৰীক্ষা কৰিব পাৰিব আৰু নতুন নাম অন্তৰ্ভুক্তি, নাম কৰ্তন বা সংশোধনৰ বাবে আবেদন দাখিল কৰিব পাৰিব। চূড়ান্ত

ভোটাৰ তালিকা প্ৰস্তুতত সহায় হোৱাকৈ নিৰ্বাচন আয়োগে অনুপস্থিত, স্থানান্তৰিত আৰু মৃত্যুবৰণ কৰা ভোটাৰসকলৰ তালিকাও বুথ-স্তৰৰ প্ৰতিনিধিসকলক প্ৰদান কৰিছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কালি সন্ধিয়া নতুন দিল্লীত কেথলিক বিচপ সন্মিলন, ভাৰতে আয়োজন কৰা বাৰ্ষিক বৰদিন উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত পশ্চিমবংগৰ ৰাজ্যপাল ডাঃ চি ভি আনন্দ বসু উপস্থিত আছিল। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বৰদিনে সকলোকে শান্তি, নম্ৰতা আৰু মানৱতাৰ সেৱাৰ দৰে মূল্যবোধৰ কথা সোঁৱৰাই দিয়ে। তেওঁ লগতে সকলোকে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্য অৰ্জনৰ দিশে ইতিবাচক অৱদান আগবঢ়াই যাবলৈ আহ্বান জনায়।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জৰ্ডান, ইথিঅ'পিয়া আৰু ওমান ভ্ৰমণ কৰাৰ পাছতেই ইথিঅ'পিয়া চৰকাৰে প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে দেশ দুখনৰ মাজত সহযোগীতাৰ নতুন অধ্যায়ৰ আৰম্ভণি কৰিলে বুলি মত প্ৰকাশ কৰিছে।

আকাশবাণীৰ সংবাদদাতাক ইথিঅ'পিয়াৰ মহিলা আৰু সামাজিক কল্যাণ মন্ত্ৰী ডাঃ ইৰেগোগি টেছেফায়ে কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণকালত স্বাক্ষৰিত চুক্তিসমূহে দেশখনৰ মহিলাসকলক যথেষ্ট সহায় কৰিব। ইথিঅ'পিয়াত বসবাস কৰা ভাৰতীয় প্ৰবাসী সমাজৰ এগৰাকী প্ৰখ্যাত ব্যক্তি ময়ুৰ সূৰ্তাকান্ত কোঠাৰীয়ে কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ সফল ভ্ৰমণৰ পিছত ইথিঅ'পিয়াত থকা ভাৰতীয়সকল অত্যন্ত সুখী হৈছে আৰু গৌৰৱ অনুভৱ কৰিছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণকালত ইথিঅ'পিয়াৰ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ দেখা গৈছিল আৰু আগন্তুক সময়ত দেশদুখনৰ দ্বিপাক্ষিক সম্পৰ্কই নতুন মাত্ৰা লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ছৈয়দ মুস্তাক আলী ট্ৰফী ক্ৰিকেট প্ৰতিযোগীতাত কালি নিশা পুনেত অনুষ্ঠিত ফাইনেলত ঝাৰখণ্ডে হাৰিয়ানাক ৬৯ ৰানত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে ছৈয়দ মুস্তাক আলী ট্ৰফী প্ৰতিযোগীতাৰ খিতাপ দখল কৰে। খেলখনত প্ৰথমে বেট ধৰি ঝাৰখণ্ডে ২০ অভাৰত ৩টা উইকেটৰ বিনিময়ত ২৬২ ৰান সংগ্ৰহ কৰে। দলটোৰ অধিনায়ক ঈশান কিশানে ৪৯টা বলত ১০১ ৰান আৰু কুমাৰ কুশাগ্ৰাই ৩৮টা বলত ৮১ ৰানৰ বৰঙণি আগবঢাই। প্ৰত্যুত্তৰত হাৰিয়ানাই ১৯

অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুওৱাই ১৯৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ যশবৰ্ধন দালালে ২২টা বলত ৫৩ ৰানৰ অৱদান আগবঢ়ায়। প্ৰতিযোগীতাৰ ১৮তম সংস্কৰণত এইবাৰ মুঠ ৩৮টা দলে অংশগ্ৰহণ কৰিছিল।

ooooo

**সমাপ্ত**